# খণ্ড-২ গোট-V ঃ সাগৰ দেখিছা
# (Poem: “Sagar Dekhisa” by Devakanta Barua)



## গাঁথনি

২.৫.১ পাতনি
২.৫.২.১ পৰিচয়
২.৫.১.২ উদ্দেশ্যাৱলী
২.৫.২ কবিৰ পৰিচয়
২.৫.৩ কবিতাৰ শিৰোনাম আৰু ইয়াৰ তাৎপৰ্য্য
২.৫.৪ কৱিতাটোৰ মূলভাব
২.৫.৫ কাব্যিক সৌন্দৰ্য্য
২.৫.৬ শব্দ টোকা
২.৫.৭ অনুশীলনী
২.৫.৭.১ বোধজ্ঞান অনুশীলনী
২.৫.৭.২ বৈয়াকৰণিক অনুশীলনী
২.৫.৭.৩ পঠন অনুশীলনী
২.৫.৭.৪ লিখন অনুশীলনী
২.৫.৮ উত্তৰ সংকেত
২.৫.৯ অতিৰিক্ত পঠন উপদেশ

## ২.৫.১ পাতনি

### ২.৫.১.১ পৰিচয়

মানুহৰ ভাব অনুভূতিৰ ছন্দোবদ্ধ প্ৰকাশেই সহজ অৰ্থত কবিতা। ভাষাৰ লগত ছন্দ আৰু লয়ৰ সংমিশ্ৰণত যি মোহনীয় ৰূপৰ সৃষ্টি হয়, সিয়েই কবিতা। পৰিদৃশ্যমান জগত আৰু জীৱনৰ অপাৰ বিস্ময় আৰু অভিজ্ঞতাই ব্যক্তিৰ মনত যেতিয়া আলোড়ণৰ সৃষ্টি কৰে; হৃদয়ৰ গভীৰত দুখ-কাৰণ্য, আনন্দ-ৰৌদ্ৰ আদি বিচিত্ৰ আৱেগৰ যেতিয়া জোৱাৰ উঠে সেই আৱেগ আৰু আলোড়ণেই শব্দ, ছন্দ আৰু লয়ৰ যোগেদি কবিতাৰূপে প্ৰকাশ পায়। কবিতাক সংজ্ঞায়িত কৰা সহজ নহয়। তথাপিও পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন ব্যক্তিয়ে কবিতাৰ সংজ্ঞা দিবলৈ চেষ্টা কৰিছে। কবি উইলিয়াম ৱৰ্ডছৱৰ্থৰ মতে কবিতা হ'ল শক্তিশালী আৱেগৰ স্বতস্ফুট প্ৰকাশ (Spontaneous overflow of powerful feelings)। তেওঁৰ মতে কবিতা 'নিৰলাত সোঁৱৰা হিয়াৰ আবেগ' (Emotion recollected in tranquility)। উইলিয়াম ৱৰ্ডছৱৰ্থে কৈছিল, “Poetry is the breath and finer spirit of all knowledge”। অসমীয়ালৈ অনুবাদ কৰিব পাৰি এই দৰে— “কাব্য হ'ল সকলো জ্ঞানৰ উশাহ বা সঞ্জীৱনী স্বৰূপ”। আন এগৰাকী বিখ্যাত ইংৰাজ ৰোমাণ্টিক কবি কীট্‌ছৰ মতে “Poetry should strike the reader as a wording of his own highest thoughts and appear almost a remembrance”। অৰ্থাৎ কীট্‌ছৰ মতে কবিতাই পঢ়ুৱৈৰ মনত এনে ভাবৰ সঞ্চাৰ কৰিব পাৰিব লাগিব যেন কবিতা হৈছে তেওঁৰ অন্তৰৰ শ্ৰেষ্ঠতম চিন্তাৰ এক বাঙ্ময় ৰূপ আৰু ই যেন কিবা এক সোঁৱৰণ। কবি কলে'ৰিজৰ মতে কবিতা হ'ল বাচকবনীয়া শব্দৰ সুন্দৰ বিন্যাস (The best words in their best order)। মেথ্যিউ আৰ্ণল্ডৰ মতে কবিতা হ'ল জীৱন বীক্ষা (Poetry is criticism of life)। কোনোৱে ইয়াক সংগীতময় চিন্তা বুলি কৈছে, কোনোৱে স্মৰণীয় উক্তি (Memorable speech) বুলি ব্যাখ্যা কৰিব বিচাৰিছে।

এটা কথা ঠিক যে কবিতাৰ এটা স্থিৰ আৰু স্পষ্ট সংজ্ঞা দিয়া কঠিন। কবিতা বুলিলে আমি এনে কিছু অভিব্যক্তিক বুজো যি জীৱন আৰু জগতৰ বিভিন্ন ৰূপ আৰু অভিজ্ঞতাক কল্পনাৰ সহায়েৰে দিয়া এক সংগীতিক ৰূপ। মানুহৰ মনৰ আৱেগ-অনুভূতিক কল্পনা আৰু চিন্তাৰ সহায়েৰে আৰু সুবিন্যস্ত শব্দ-সম্ভাৰেৰে সজাই পঢ়ুৱৈৰ হৃদয় স্পৰ্শ কৰিব পৰা সংগীতময় চিন্তাই কবিতা। কবিতাত শব্দৰ ব্যৱহাৰ

অতি গুৰুত্বপূর্ণ। কবিতাত ব্যৱহৃত শব্দই ইয়াৰ নির্দিষ্ট অর্থৰ উপৰিও এক ব্যঞ্জনাত্মক অর্থ প্রকাশ কৰিব পাৰিব লাগিব। অনুভূতিৰ ৰং সনা বাছকবনীয়া শব্দৰ মাজত ব্যক্তিৰ কল্পনা আৰু ভাবাৱেগে ছন্দোময় ৰূপ লাভ কৰিলেই তাক কবিতা আখ্যা দিব পাৰি। ব্যক্তিৰ স্বতঃস্ফূর্ত ভাৱাবেগ আৰু গভীৰ অন্তর্দৃষ্টিৰ ছন্দোবদ্ধ প্রকাশেই আচলতে কবিতা। অর্থাৎ গভীৰ অনুভূতিৰ লগত উপযুক্ত ভাষাৰ মিলনেই কবিতাৰ জন্ম হয়। সেয়ে অনুভূতি, শব্দচয়ন, কল্পনা আৰু চিন্তা, ছন্দ-বিন্যাস, অলংকাৰ আৰু চিত্রকল্প সকলো মিলিয়েই কবিতাৰ জন্ম হয়।

পোনতে মানুহৰ সমূহীয়া অনুভূতিৰ প্রকাশকৰূপেই গীত, নৃত্য আৰু কবিতাৰ জন্ম হৈছিল। পৰৱর্তী সময়ত কবিতাবোৰ ব্যক্তিমনৰ গভীৰ অন্তৰ্স্থলৰ পৰা নিগৰি প্রকৃতি আৰু পাৰিপার্শ্বিকৰ সংস্পর্শত নতুন নতুন ৰূপ পাই উঠিল। সত্য আৰু সৌন্দর্য্যৰ তাড়নাই মানুহৰ সৃষ্টিশীল প্রেৰণাৰ উৎস। কবিতা হ'ল সত্য আৰু সৌন্দর্য্যৰ সন্ধান। এই সত্য বিজ্ঞানৰ সত্যৰ দৰে গৱেষণাধর্মী আৰু বিশ্লেষণধর্মী নহ'ব পাৰে। এই সত্য কবিৰ বাবে অন্তৰৰ সৌন্দর্য্যৰ সন্ধান। জীৱন আৰু জগতৰ সত্যক সৌন্দর্য্য প্রদান কৰাই কবিৰ কাম।

সমালোচকসকলে কবিতাক বিভিন্ন শ্রেণীত ভাগ কৰিছে। বিষয়বস্তুৰ আধাৰত কবিতাক মূলতঃ দুটা ভাগত ভাগ কৰা হয়। এটা হ'ল মন্ময় বা ব্যক্তিনিষ্ঠ কবিতা (Personal or Subjective) আৰু আনটো হ'ল তন্ময় বা বস্তুনিষ্ঠ কবিতা (Impersonal or Objective poetry)। ব্যক্তিনিষ্ঠ কবিতাত কবিয়ে অন্তৰৰ নিভৃততম ভাব-অনুভূতি, ব্যক্তি জীৱনৰ সুখ-দুখ, কাৰুণ্য, আশা-আকাংক্ষা, হতাশা আদি কল্পনাৰ সহায়েৰে প্রকাশ কৰে। বস্তুনিষ্ঠ কবিতাত কবিয়ে পৰিদৃশ্যমান জগতৰ পৰা কবিতাৰ বিষয়বস্তু গ্রহণ কৰে। বহিঃজগতৰ বিষয় আধাৰিত এই কবিতাবোৰত কবি কল্পনা আৰু আৱেগ-অনুভূতিৰো প্রকাশ ঘটে। ব্যক্তিনিষ্ঠ কবিতাক কোনো কোনোৱে 'গীতি-কবিতা'ও বুলিব খোজে। সমালোচকসকলে ব্যক্তিনিষ্ঠ কবিতাক কেইবাটাও ভাগত বিভক্ত কৰিছে। সেয়া হৈছে ভক্তিমূলক কবিতা বা প্রার্থনা সঙ্গীত প্রশস্তিসূচক বা স্তোত্র-কবিতা (ode), প্রেমমূলক কবিতা, স্বদেশ-প্রেমমূলক কবিতা, প্রকৃতি বিষয়ক, ৰহস্যবাদী কবিতা, শোক কবিতা, ছনেট বা চতুর্দশপদী কবিতা আদি। বস্তুনিষ্ঠ কবিতাকো সেইদৰে কেইবাটাও ভাগত ভাগ কৰা হৈছে। সেয়া হৈছে— মহাকাব্য, মালিতা বা কাহিনী-গীতি, ধেমেলীয়া কবিতা, ৰূপক কবিতা, নীতি কবিতা, নাটকীয় কবিতা আদি।

ইতিমধ্যে কবিতাৰ বিষয়ে কিছু পৰিচয়মূলক আলোচনা কৰি বিভিন্ন কবি, দার্শনিক, লেখকৰ কবিতাৰ সংজ্ঞা দাঙি ধৰা হৈছে। এতিয়া এটা আধুনিক কবিতাৰ মূল পাঠ ইয়াত তুলি দি কবিতাটোৰ বিষয়ে আলোচনা কৰা হ'ব। কবিতাটোৰ শিৰোনাম 'সাগৰ দেখিছা'। কবি দেৱকান্ত বৰুৱা। ইয়াত কবিতাটোৰ মূল ভাব, ইয়াৰ কাব্যিক সৌন্দর্য আলোচনা কৰিব বিচৰা হৈছে। 'সাগৰ দেখিছা' কবিতাটোত কবিয়ে প্রেমৰ কৰুণ আৰু কঠোৰ দিশটোৰ প্রতি দৃষ্টি দিছে যদিও প্রেমৰ মহত্ত্বক উপলব্ধি কৰি প্রেমেই সকলো অন্ধকাৰ বিনাশ কৰি মানুহৰ জীৱন পোহৰমুখী কৰি পেলাব পাৰে বুলি এক আশাবাদী চিন্তাৰে কবিতাটো শেষ কৰিছে।

### ২.৫.১.২ উদ্দেশ্যাৱলী

এই গোটৰ অধ্যয়নৰ পাছত আপুনি—

- আধুনিক কবিতাৰ স্বৰূপ বুজিব পাৰিব।
- দেৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে এটা ধাৰণা কৰিব পাৰিব।
- 'সাগৰ দেখিছা' কবিতাটোৰ তাৎপর্য বুজি পাব।

## ২.৫.২ কবিৰ পৰিচয়

অসমীয়া কবিতাৰ ৰোমাণ্টিক যুগৰ শেষ আৰু আধুনিক যুগৰ প্রথম কবি বুলি ক'ব পৰা দেৱকান্ত বৰুৱাৰ জন্ম হৈছিল ১৯১৪ চনৰ ২২ ফেব্রুৱাৰীত। দেৱকান্ত বৰুৱা আছিল অসমীয়া সাহিত্যৰ যুগসন্ধিৰ কবি। সেয়ে তেওঁক ক্রান্তিকালৰ কবি বুলিও জনা যায়। আধুনিক যুগৰ নতুন কবিসকলক এক নতুন পথৰ সন্ধান দিয়া দেৱকান্ত বৰুৱাই কবিতাৰ বিষয়বস্তু আৰু প্রকাশভঙ্গী দুয়োটাতে এক অর্থত অভিনৱত্ব

সঞ্চাৰ কৰিছিল। দেৱকান্ত বৰুৱাৰ প্ৰায়বোৰ কবিতাই লিখা হৈছিল নাটকীয় একোক্তিৰ (Dramatic monologue)ৰ আৰ্হিত। কোনো কোনোৱে ইয়াক নাটকীয় স্বকথন বা মনোকথন বুলিও কয়। ৰোমাণ্টিক যুগৰ অৱসানৰ সময়ছোৱাত অসমীয়া কবিতাত মিত্ৰাক্ষৰী ছন্দৰ ব্যৱহাৰ কমি আহিছিল। দেৱকান্ত বৰুৱাৰ কবিতাত মিত্ৰাক্ষৰী ছন্দ আৰু মুক্তক ছন্দৰ পৰিৱৰ্তে স্পন্দিত আৰু গদ্য ছন্দই নিটোল ৰূপ লাভ কৰিছিল।

দেৱকান্ত বৰুৱাক আৱাহন যুগৰ শ্ৰেষ্ঠতম কবি বুলি কোৱা হয়। তেওঁৰ কবিতাত প্ৰেমেই মূল সুৰ যদিও তাত বিষাদ বা বিননি নাই, তেওঁৰ কবিতাত আছে যৌৱনৰ জয়গান আৰু সমাজত প্ৰচলিত কঠোৰ ৰীতি-নীতিৰ প্ৰতি বিদ্ৰোহ। দেৱকান্ত বৰুৱাক অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ শেষৰজন উল্লেখযোগ্য কবি বুলি কোৱা হয়। তেওঁ আছিল অসমীয়া সাহিত্যৰ এজন শ্ৰেষ্ঠ প্ৰেমৰ কবি। কবি দেৱকান্ত বৰুৱা ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগৰ দ্বিতীয় পৰ্যায়ৰ কবিসকল অৰ্থাৎ লৰ্ড টেনিচন, ৰবাৰ্ট ব্ৰাউনিং, মেথিউ আৰ্নল্ড আৰু টমাছ হাৰ্ডি আদিৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। ব্ৰাউনিঙৰ নাটকীয় একোক্তিৰ আৰ্হি দেৱকান্ত বৰুৱাৰ কবিতাত সততে দেখা পোৱা যায়। অৰ্থাৎ অসমীয়া কবিতাত কাৰোবাক উদ্দেশ্য কৰি কথা কোৱা বা প্ৰশ্ন উত্তৰৰ আৰ্হিত কবিতা লিখাৰ নতুন কথনভঙ্গী দেৱকান্ত বৰুৱাৰ কবিতাতে প্ৰথম দেখা পোৱা গৈছিল। কবি হিচাপে সুখ্যাতি লাভ কৰা দেৱকান্ত বৰুৱা ৰাজনৈতিক ভাৱেও বেচ সক্ৰিয় আছিল। ভাৰতৰ স্বধীনতা আন্দোলন, ভাৰত ত্যাগ আন্দোলনত ভাগ লোৱাৰ বাবে তেওঁ কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল আৰু জৰিমনা ভৰিবলগীয়া হৈছিল। ১৯৪৫ চনত তেওঁ অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সহকাৰী সম্পাদক নিৰ্বাচিত হৈছিল। ১৯৫২ আৰু ১৯৭৭ চনত তেওঁ লোকসভাৰ সদস্য নিৰ্বাচিত হয়। পৰৱৰ্তী সময়ত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীৰ দায়িত্বও বহন কৰিছিল।

১৯৯৬ চনত মৃত্যুবৰণ কৰা কবি দেৱকান্ত বৰুৱা যদিও ৰাজনীতিৰ সৈতে জড়িত আছিল, তেওঁ সাংবাদিকতাৰেই কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁ *অসমীয়া, দৈনিক অসমীয়া* আৰু *নতুন অসমীয়া*ৰ সম্পাদক আছিল। তেওঁৰ সমসাময়িক কবিসকলৰ দৰেই দেৱকান্ত বৰুৱাইও প্ৰেমৰ বিভিন্ন স্বৰূপ আৰু দিশক বিভিন্ন ধৰণে আলোকপাত কৰিছে। তেওঁৰ একমাত্ৰ কবিতা পুথি *সাগৰ দেখিছা* প্ৰকাশ পায় ১৯৪৫ চনত। এই সংকলনখনত প্ৰকাশিত প্ৰায়বোৰ কবিতাই বিংশ শতিকাৰ তৃতীয় দশকত ৰচিত আৰু সেইসমূহ *আৱাহন* আলোচনীত প্ৰকাশ পাইছিল। বৰুৱাৰ এই কাব্যপুথিখনৰ কবিতাবোৰ মূলতঃ প্ৰেমৰ কবিতা। এই পুথিখনে অসমীয়া কবিতাৰ ভাব, ভাষা, বিষয়বস্তু, ছন্দ-গাঁথনি, কথনভঙ্গী—সকলো ক্ষেত্ৰতে নতুনত্ব আনিছিল। গীতি-ধৰ্মিতা আৰু সংলাপধৰ্মিতাই দেৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। ই তেওঁৰ কবিতাক এফালে নতুনত্ব প্ৰদান কৰিছে আৰু আনফালে কবিতাবোৰ আকৰ্ষণীয় কৰি তুলিছে।

**আত্মমূল্যায়ন-**

ক) দেৱকান্ত বৰুৱাৰ ব্যক্তিগত পৰিচয় সম্পৰ্কে এটা পেৰাগ্ৰাফ লিখক।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

খ) দেৱকান্ত বৰুৱাক কিয় যুগসন্ধিৰ কবি বুলি কোৱা হয়?

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

## ২.৫.৩ কবিতাটোৰ শিৰোনাম আৰু ইয়াৰ তাৎপৰ্য্য

কবিতাটোৰ শিৰোনামটো বেচ গুৰুত্বপূৰ্ণ। কথাটো আমি এনেধৰণে ব্যাখ্যা কৰিব পাৰোঁ— কবিতাৰ শিৰোনামৰূপে ই নিৰ্দিষ্ট এটা বিষয়ৰ কথা ক'বলৈ লোৱা যেন নালাগে। বৰঞ্চ 'সাগৰ দেখিছা' বুলি কবিয়ে কাৰোবাক যেন প্ৰশ্ন কৰিছে। শিৰোনামত প্ৰশ্নবোধক চিহ্ন নাথাকিলেও সমগ্ৰ কবিতাটোত অসংখ্য প্ৰশ্নবোধক চিন ভৰি আছে। অসমীয়া কবিতাৰ ক্ষেত্ৰখনত প্ৰশ্নবোধকেৰে কবিতাৰ পাঠ তৈয়াৰ কৰাৰ ক্ষেত্ৰত কবি দেৱকান্ত বৰুৱাই প্ৰথম। শিৰোনামটোত সোমাই থকা এই প্ৰশ্নৰ মনোভাৱ/ ধৰণটো কবিতাটোৰ পাঠটো পঢ়ি গ'লে পৰৱৰ্তী সময়ত স্পষ্টকৈ গম পোৱা যায়। কবিতাটোত কবিয়ে সাগৰৰ উল্লেখেৰে প্ৰকৃতিৰ এটা অংশ/ ৰূপ/ খণ্ডৰ কথা কোৱাৰ চলেৰে কবি হৃদয়ক সাগৰৰ সৈতে তুলনা কৰিছে।

## ২.৫.৪ কবিতাটোৰ মূলভাৱ

'সাগৰ দেখিছা' কবিতাটোত কবিয়ে প্ৰেমিকাক প্ৰশ্ন কৰিছে যে তেওঁ সাগৰ দেখি পাইছে নে নাই। প্ৰেমিকাৰ পৰা উত্তৰৰ অপেক্ষা হয়তো কবিৰ নাই। তেওঁ নিজেই নিজৰ প্ৰশ্নৰ উত্তৰ দি কৈছে যে তেৰোঁ সাগৰ দেখা নাই। তেওঁ মাত্ৰ শুনিছে যে সাগৰৰ পানী নীলা আৰু সাগৰত অসংখ্য ঢৌৰ জোৱাৰ-ভাটা উঠে আৰু নামে। তেওঁ নিজৰ হৃদয়খন সাগৰৰ সৈতে তুলনা কৰি কৈছে যে এই হৃদয়খনো সাগৰৰ দৰে নীলা বেদনাৰে পৰিপূৰ্ণ হৈ পৰিছে। এই হৃদয়ত হাজাৰ অনুভৱৰ উত্থান-পতন আৰু কোলাহল। কবিয়ে তেওঁৰ প্ৰেমিকাৰ স্মৃতিত কাতৰ হৈ তেওঁক অবুজ, নিষ্ঠুৰ আৰু হিয়াহীন বুলি কৈছে। যৌৱনৰ আনন্দোচ্ছল সময় সোঁৱৰি কবি আবেগিক হৈ পৰিছে। কিন্তু তেওঁৰ প্ৰেয়সীয়ে তেওঁক এৰি যোৱাৰ দুখত কবি মৰ্মাহত হৈ পৰা নাই। সুখৰ মুহূৰ্তৰ স্মৃতি সুঁৱৰি কবি কাতৰ হৈ পৰিছে যদিও তেওঁৰ হৃদয়ত অনুভূত প্ৰেমৰ সহজ জ্যোতিৰে যেন জগতৰ অন্ধকাৰ নাশিবলৈ যথেষ্ট। সেয়ে কবি প্ৰেমিকাৰ বিৰহত দুখী হৈও প্ৰেমৰ মহত্বত বিশ্বাসী হৈ পৰিছে। কবিয়ে প্ৰেয়সীক প্ৰশ্ন কৰাৰ চলেৰে আপোন হৃদয়ৰ অনুভৱ প্ৰকাশ কৰিছে। তেওঁ প্ৰেমৰ অনুভৱ উপলব্ধি কৰি গৌৰবান্বিত হৈছে আৰু কবিতাটোৰ প্ৰথমাংশত প্ৰেমেৰে ৰঙীণ তেওঁৰ হৃদয়ৰ কথা কৈ সেই হৃদয়ৰ ৰঙৰ উছৱৰ উমান প্ৰেয়সীয়ে পাইছেনে নাই— তাৰ খবৰ লৈছে। পৰৱৰ্তী সময়ত তেওঁ নিজৰ প্ৰেয়সীক 'হিয়াহীনা প্ৰিয়া' বুলি কৈ তেওঁক স্বাৰ্থপৰ বুলি ক'ব খুজিছে। কবিৰ প্ৰেয়সীয়ে যেন কেৱল নিজকে চিনি পায় যি কবিৰ হৃদয়ৰ বেদনাৰ উমান নেপায়। সেয়ে কবিয়ে নিজৰ প্ৰেয়সীক ক'ব খুজিছে যে প্ৰেয়সী আঁতৰি গ'লেও কবিৰ হৃদয় প্ৰেমেৰে পূৰ্ণ হৈ আছে। তেওঁৰ প্ৰেমৰ স্মৃতিৰেই কবিৰ হৃদয় আলোকময় হৈ থাকিব আৰু এই অনুভৱেৰেই তেওঁ গৌৰৱময়।

**আত্মমূল্যায়ন-**

ক) সাগৰ দেখিছা কবিতাটোৰ শিৰোনামটোৰ তাৎপৰ্য সম্পৰ্কে লিখক।

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

খ) সাগৰ দেখিছা কবিতাটোৰ মূলভাবটো নিজৰ ভাষাৰে লিখক।

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

## ২.৫.৫ কাব্যিক সৌন্দৰ্য



'সাগৰ দেখিছা' মূলতঃ এটা ৰোমাণ্টিক কবিতা। কিন্তু একেসময়তে ই এটা সুন্দৰ আধুনিক কবিতা। দেৱকান্ত বৰুৱাৰ ৰোমাণ্টিক চেতনাই নাটকীয় একোক্তিৰ প্ৰয়েগেৰে এহাতে প্ৰেয়সীৰ সৈতে বাৰ্তালাপত মিলিত হৈছে, অন্যহাতে পঢ়ুৱৈৰ লগত গভীৰ আন্তৰিকতা সৃষ্টিৰ প্ৰয়াস কৰিছে। কথোপকথনৰ জৰিয়তে একধৰণৰ আনুভূতিক সংবেদনশীলতা সৃষ্টি কৰি পঢ়ুৱৈৰ মনোজগতক আকৰ্ষণ কৰিব পৰাৰ কৌশল কবি দেৱকান্ত বৰুৱাৰ নিজা। 'সাগৰ দেখিছা'ত কবিয়ে তেওঁৰ প্ৰেয়সীৰ সৈতে বিচ্ছেদৰ পাছত তেওঁক নিজৰ হৃদয়ৰ বেদনাৰ উমান দিব খুজিছে। কিন্তু কবিয়ে নিজকে যন্ত্ৰণাকাতৰ, মিয়মাণ, উপেক্ষিত প্ৰেমিক ৰূপে নহয়, বৰঞ্চ এজন আশাবাদী ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিব খুজিছে। কবি দেৱকান্তৰ কবিতাত হৃদয় আৰু মগজুৰ দুয়োটাৰে চিন্তন আৰু কৰ্ষণ হয় বুলি ক'ব পাৰি। 'সাগৰ দেখিছা' কবিতাটোতে কবিয়ে হৃদয় তোলপাৰ লগাই থকা তেওঁৰ আহত হিয়াৰ কথা কৈ নিজৰ প্ৰেয়সীক নিষ্ঠুৰ, হিয়াহীন বুলিও চিনি পাইছে। "তুমি তুমি, মই, মই" বুলি কৈ এফালে তেওঁ প্ৰেয়সীৰ স্বাৰ্থপৰতাৰ কথা ক'ব খুজিছে আৰু অন্যহাতে আধুনিক জীৱনৰ ব্যক্তি হৃদয়ৰ একাকীত্বৰ উমান দিব বিচাৰিছে। দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত বহু নতুনত্ব আহিছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে নাটকীয় মনোকথন (Dramatic monologue) ক তেওঁ কবিতাৰ এক শৈলী বা মাধ্যম হিচাপে গ্ৰহণ কৰিছে।

ৰোমাণ্টিক কবিতা হৈয়ো 'সাগৰ দেখিছা' ই অসমীয়া কবিতালৈ এক নতুন সুৰ কঢ়িয়াই আনিলে। কবিতাটোত প্ৰেমৰ বিষাদ আৰু যন্ত্ৰণাৰ বিষয়বস্তুৰে ৰোমাণ্টিক চেতনাৰ উমান পোৱা যায়। কিন্তু ইয়াৰ লগে লগে কবিতাটোৰ ভাববস্তু আৰু ৰচনাশৈলী/ প্ৰকাশভঙ্গী দুয়োটাতে আধুনিক যুগৰ কবিতাৰ কথন আৰু আংগিকৰ উমান পোৱা যায়। কবিতাটোত কবিৰ হৃদয়ত 'হিয়াহীনা' প্ৰিয়াই গভীৰ আঘাত দিছে আৰু কবিৰ হৃদয় ভৰি পৰিছে সাগৰৰ নীলা বেদনাৰে। কিন্তু তেওঁৰ 'হিয়াহীনা প্ৰিয়া'ই কবিৰ হৃদয়খন দেখা নাই, তেওঁৰ হৃদয়ৰ দুখ আৰু কাৰুণ্য উপলব্ধি কৰিব পৰা নাই। তেওঁৰ অন্তৰৰ এই কাৰুণ্য মাজৰাতি কেতেকীৰ গীতৰ শূন্যতাই বঢ়াই তুলিছে। বিৰহত কাতৰ কবিয়ে তেওঁৰ জীৱনৰ পৰা আঁতৰি যোৱা প্ৰেয়সীৰ প্ৰতি অভিযোগ কৰিছে যে তেওঁ কবিৰ হৃদয়ৰ গভীৰ বেদনা উপলব্ধি কৰিব নোৱাৰে। কবিয়ে নিজৰ হৃদয়ৰ এই বেদনাক দুৰ্গা গোসাঁনীৰ মৃন্ময় প্ৰতিমা এটিক হৃদয়ৰ সম্পূৰ্ণ আকুলতাৰে বেদীত প্ৰতিষ্ঠা কৰি বিজয়া দশমীৰ সন্ধ্যা নদীত বিসৰ্জনৰ পাছত অনুভৱ হোৱা শূন্যতাৰ সৈতে তুলনা কৰিছে। হৃদয়ৰ সমস্ত ভক্তিৰে পূজা কৰা প্ৰতিমা এটিক বিসৰ্জন দি পূজাৰীয়ে যি গভীৰ বেদনা অনুভৱ কৰে সেই একেই বেদনা অনুভৱ কৰিছে কবিয়ে নিজৰ প্ৰিয়াক এৰিবলগীয়া হৈ।

কিন্তু 'সাগৰ দেখিছা' কবিতাটো পঢ়ি এটা কথা অনুভৱ হয় যে নোপোৱাৰ বেদনাই দুখ দিলেও ই কবিক কাতৰ কৰা নাই। সেয়ে তেওঁ আশা কৰিছে যে প্ৰিয়াৰ দুচকুৰ জ্যোতিৰেই তেওঁৰ জগতৰ অন্ধকাৰ বিনাশি পোহৰ আনিব। পোহৰৰ প্ৰতি এই আহ্বানৰ আশাবাদেই দেৱকান্ত বৰুৱাৰ কাব্যৰ বৈশিষ্ট্য। সেয়ে এই কবিতাটোতো আমি এই জাগৰণৰ উমান পাঁও। ই কেৱল কবিৰ ৰোমাণ্টিক ভাব বিলাসিতাতেই শেষ নহয়। কবিতাটোত আবেগৰ লগতে চিন্তাৰ আভাস উপলব্ধি কৰিব পাৰি। চিন্তাৰ আবেদনে কবিতাটো আধুনিক কবিতাৰ কাষ চপাই আনিছিল। 'মই জানো, তুমি কিটো জানা' আৰু 'তুমি তুমি, মই মই'— বুলি কৈ কবিয়ে আধুনিক মনৰ, আধুনিক জীৱনৰ একাকীত্ব আৰু স্বাৰ্থপৰতাৰ কথা উনুকিয়াইছে। আটাইতকৈ তাৎপৰ্যপূৰ্ণ কথাটো হ'ল— এই কবিতাটো প্ৰেমৰ অথবা প্ৰেম আৰু বেদনাৰে সিক্ত ৰোমাণ্টিক কবিতা হৈও ই জীৱনৰ এক দ্বন্দ্ব বা সংশয়ৰ কথা কয়। আধুনিক জীৱনৰ সংশয় আৰু একাকীত্বৰে পৃথিৱীৰ দুখৰ বোজা বোৱা কবিয়ে জঁই পৰা ফুলেৰে গৌৰৱ আৰু সৌন্দৰ্যৰ মালা গাঁথিব খোজে। এই সংশয় আধুনিক চিন্তাৰ লক্ষণ।

বিষয়বস্তুৰ ব্যাখ্যাৰে কবিতাটোত প্ৰেম, প্ৰতাৰণা, দুখ আৰু কাৰুণ্যৰ উপলব্ধি অনুভৱ হয়। কবিতাটোৰ ভাষা মধুৰ আৰু উপযুক্ত শব্দচয়নেৰে ইয়াৰ প্ৰকাশভঙ্গী আকৰ্ষণীয়। মিত্ৰাক্ষৰী ছন্দত লিখা এই কবিতাটোত অনুপ্ৰাস আৰু উপমাৰ প্ৰয়োগ মনকৰিবলগীয়া। ঠায়ে ঠায়ে শব্দ আৰু ব্যাকাংশৰ পুনৰোক্তিও দেখিবলৈ পোৱা যায়। এই কাব্যিক উপাদানসমূহে কবিতাটো আকৰ্ষণীয় কৰি তুলিছে। আংগিকৰ ক্ষেত্ৰত 'সাগৰ দেখিছা' কবিতাটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— ইয়াত ব্যৱহৃত কথোপকথনভিত্তিক ব্যাকাংশ যি পঢ়ুৱৈক কথাবস্তুৰ সৈতে সম্পৰ্কিত কৰে প্ৰত্যক্ষভাৱে। এই প্ৰশ্নোত্তৰ

ভিত্তিক ব্যাকাংশই পঢ়ুৱৈক সজাগ কৰি তোলে, দেৱকান্ত বৰুৱাৰ এই কথোপকথনভিত্তিক কবিতা ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ Dramatic monologue অৰ্থাৎ নাটকীয় একোক্তিৰ প্ৰভাৱ। এই নাটকীয় একোক্তিৰ প্ৰয়োগে কবিতাটোক, কবিৰ অনুভূতিক পঢ়ুৱৈৰ অধিক নিকট কৰি তুলিছে। 'সাগৰ দেখিছা' কবিতাটোৰ উপস্থাপন ৰীতি অগতানুগতিক। ফলত কবিতাটো অধিক মনোগ্ৰাহী আৰু আকৰ্ষণীয় হৈ উঠিছে। কবিতাটোত ব্যৱহৃত সহজ আৰু পৰিচিত শব্দৰাজিয়ে কবিৰ অনুভৱক প্ৰাঞ্জলভাৱে বৰ্ণনা কৰিছে। এই বৰ্ণনাৰেই সাৱলীলৰূপে কবিৰ চিন্তাক পঢ়ুৱৈৰ অন্তৰ স্পষ্ট কৰিবলৈ সক্ষম কৰি তুলিছে। ৰোমাণ্টিকতা আৰু আধুনিকতাৰ সংমিশ্ৰনেৰে কবি দেৱকান্ত বৰুৱাৰ এই কবিতাটোৱে প্ৰকৃতাৰ্থত অসমীয়া কবিতালৈ এক নতুন ঢল কঢ়িয়াই আনিলে বুলি ল'ব পাৰি।



**আত্মমূল্যায়ন-**

ক) 'সাগৰ দেখিছা' কবিতাটোত নাটকীয় একোক্তিৰ ব্যৱহাৰ সম্পৰ্কে সম্পৰ্কে লিখক।

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

খ) 'সাগৰ দেখিছা' কবিতাটোৰ শব্দচয়ন সম্পৰ্কে লিখক।

.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................
.......................................................................................................

## ২.৫.৬ শব্দ টোকা

**নীলিম** ঃ নীল বৰণীয়া

**সলিলৰাশি** ঃ সলিল শব্দৰ অৰ্থ হৈছে পানী বা জল। সলিলৰাশি বুলি কওঁতে পানীৰ বিস্তৃতি বুজোৱা হৈছে।

**উৰ্মিমালা** ঃ উৰ্ম বা উৰ্ম্ম শব্দৰ অৰ্থ হৈছে তুষাৰ যুগৰ চতুৰ্থ আৰু শেষ পৰ্যায়।

**দিগন্ত** ঃ দিগ্‌বলয়, আকাশ। যি ৰেখাত আকাশে মাটি চুই থকা যেন লাগে সেয়াই দিগন্ত ৰেখা।

**বাসনা** ঃ অভিলাষ, কামনা, ভাগ্য, কপাল (desire)

**উতলা** ঃ 'উতলা' শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে অতিশয় তপত। ইয়াত 'উতলা' শব্দটো উদ্বিগ্ন, ব্যগ্ৰ, চঞ্চল— এই অৰ্থত ব্যৱহাৰ হৈছে।

**ৰামধেনু** ঃ ইন্দ্ৰধনু, ইংৰাজী অৰ্থ rainbow। বায়ুমণ্ডলৰ জলীয় বাষ্পত সূৰ্য্যৰ পোহৰ পৰি আকাশত ওলোৱা ধেনুৰ আকৃতিৰ পটি।

**পোহৰ-দীপ্ত** ঃ দীপ্ত শব্দৰ অৰ্থ হৈছে জলন্ত, তেজোময়। যি শক্তিৰ সহায়ত যিকোনো বস্তু দেখা পোৱা যায় সিয়েই হৈছে পোহৰ; সেই অৰ্থত পোহৰ-দীপ্তৰ অৰ্থ হৈছে পোহৰেৰে আলোকিত। অন্যহাতে 'পোহৰ' শব্দৰ অৰ্থ হৈছে আলোক। ইয়াত পোহৰৰ উজ্জ্বলতা বা পোহৰৰ ইতিবাচক ৰূপটোক অধিক গুৰুত্ব দিয়া হৈছে।

**সম্বাদ** ঃ বাতৰি, খবৰ, সম্প্ৰচাৰ, পৰস্পৰ কথোপকথন

**হিয়াহীন** ঃ 'হিয়া' শব্দৰ অৰ্থ অন্তৰ আৰু 'হীনা' মানে বিহীন, নাইকীয়া। 'হিয়াহীনা' শব্দটো ইয়াত অন্তৰ নাইকিয়া অৰ্থাৎ নিষ্ঠুৰ বা কঠোৰ হৃদয়ৰ নাৰীক বুজোৱা হৈছে।

**জঁই পৰা** ঃ লেৰেলা। ৰ'দ বা তাপত শুকাই মৰহি যোৱা, শুকাই লেৰেলি যোৱা। (লাজত কোঁচ খোৱা বা অতি আলসুৱা।

**কাৰেঙ** ঃ 'কাৰেঙ' মানে ৰাজপ্ৰসাদ।

**প্ৰতিমা** ঃ প্ৰতিমূৰ্তি, প্ৰতিকৃতি। ঈশ্বৰৰ বা দেৱ-দেৱতাৰ ৰূপৰ সাদৃশ্য—কল্পনাত নিৰ্মিত মূৰ্ত্তি।

**পখালো** ঃ 'পখাল' মানে ধুই নিকা কৰা। ধুই দিয়া অৰ্থত 'পখালো' শব্দটো ব্যৱহাৰ কৰা হয়।

**ষষ্ঠী** ঃ ষষ্ঠৰ স্ত্ৰীলিঙ্গ। পঞ্চমীৰ পৰৱৰ্তী তিথি বিশেষ (the sixth day of the lunar)। দুৰ্গা পূজাৰ প্ৰথম দিন (the sixth day of the lunar fortnight when the ceremony of awakening Goddess Durga is held)।

**বিসৰ্জো** ঃ 'বিসৰ্জ' শব্দৰ অৰ্থ হৈছে ত্যাগ কৰা বা বৰ্জন কৰা, পূজাৰ অন্তত পানীত প্ৰতিমা উটুৱাই দিয়া অনুষ্ঠান অৰ্থাৎ পূজাৰ অন্তত দেৱতাক বিদায় দিয়া কাৰ্য।

**বিজয়া** ঃ দেৱী দুৰ্গাক বিসৰ্জন দিয়া শৰৎকালৰ শুক্লা দশমী তিথি (the day on which the image of Durga is immersed)

**নাশিবা** ঃ 'নাশ' শব্দৰ অৰ্থ ধ্বংস বা লোপ। বধ বা হত্যা কৰা কাৰ্যক বুজোৱা হয়। ইয়াত ধ্বংস কৰি পেলোৱা বা শেষ কৰি পেলোৱা অৰ্থত ব্যৱহাৰ কৰা হৈছে।

**তিমিৰ** ঃ অন্ধকাৰ।

## ২.৫.৭ অনুশীলনী

### ২.৫.৭.১ বোধজ্ঞান অনুশীলনী

১। তলত দিয়া প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধ উত্তৰটো বাচি লৈ ✓ চিন দিয়ক ঃ

(ক) কবিয়ে তেওঁৰ অন্তৰখনক কিহৰ সৈতে তুলনা কৰিছে?

(১) আকাশৰ নীলাৰ সৈতে
(২) সাগৰৰ নীলাৰ সৈতে
(৩) পাহাৰৰ সেউজীয়াৰ সৈতে

(খ) কবিতাটোত উল্লেখ থকা চৰাইটোৰ নাম কি?

(১) কেতেকী
(২) কুলী
(৩) ফেঁচা

(গ) কবিতাটোৰ পৰা 'অন্ধকাৰ' অৰ্থসূচক আন এটা শব্দ বাচি উলিওৱা ঃ

(১) সন্ধিয়া
(২) প্ৰভাত
(৩) তিমিৰ

(ঘ) দেৱীক কেতিয়া প্ৰতিষ্ঠা কৰা হয়?

(১) ষষ্ঠী
(২) সপ্তমী
(৩) পঞ্চমী

(ঙ) মানুহৰ হৃদয়ৰ সংবাদ ক'ত শুনিবলৈ পোৱা যায়?

(১) জীৱ-জন্তুৰ মাতত
(২) পখীৰ ডিঙিত
(৩) প্ৰকৃতিৰ মাজত

(ঞ) উল্লেখিত কবিতাটোত 'বিজয়া' শব্দটোৰে কি বুজোৱা হৈছে-

(১) এগৰাকী নাৰী
(২) এজন বিজয়ী ব্যক্তি
(৩) এটা তিথি

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লেখক ঃ

(ক) উল্লেখিত কবিতাটোত এজন ইংৰাজ কবিৰ কবিতাৰ এক বিশেষ শৈলীৰ প্ৰভাৱ দেখা যায়? এই কবিজনৰ নাম কি?



..........................................................................................

..........................................................................................

(খ) এই বিশেষ কাব্য শৈলীটোক কি বুলি কোৱা হয়?

..........................................................................................

..........................................................................................

(গ) 'দিগন্ত' শব্দটোৰ অৰ্থ কি?

..........................................................................................

..........................................................................................

(ঘ) কবিতাটোত প্ৰশ্নবোধক চিনৰ ব্যৱহাৰেৰে কি সূচাইছে?

..........................................................................................

..........................................................................................

(ঙ) 'দেখা নাই?' 'শুনা নাই'— আদি কবিয়ে কাক উদ্দেশ্য কৰি কৈছে?

..........................................................................................

..........................................................................................

(চ) 'হিয়াহীনা' বুলি কাক কোৱা হৈছে?

..........................................................................................

..........................................................................................

৩। তলৰ শাৰীবোৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে। তাৰ মাজৰ দুটা এটা শব্দ উঠাই দিয়া হৈছে। কবিতাটোৰ পৰা বিচাৰি সেই শব্দৰে খালী ঠাই পূৰ কৰক।

(ক) দেখিছাতো ——, বাৰিষাৰ ডাৱৰত পোহৰৰ
—— গৌৰৱ

(খ) ভাবিছানে এটিবাৰো —— ডিঙিত কান্দে মানুহৰ
বুকুৰ ——

(গ) ——— জয়ৰ গৌৰৱ মালা? মিলনৰ
——সোণালী

(ঘ) —— সাৰ পাই —— কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত?

(চ) সহজ —— আজি নাশিবা —— তুমি —— মোৰ জগতৰ।

(ছ) তুমি —— মই ——। তুমিতো নাজানা-হায়, কিয় বাৰু
কিয় আমি গাথোঁ

## ২.৫.৭.২ বৈয়াকৰণিক অনুশীলনী

১। আন যিকোনো ভাষাৰ দৰেই অসমীয়া ভাষাতো শব্দৰ এটা বা তাতোধিক সমাৰ্থক শব্দ আৰু বিপৰীত অৰ্থ বুজোৱা শব্দ আছে। উদাহৰণস্বৰূপে তলত কেইটামান শব্দৰ সমাৰ্থক শব্দ আৰু বিপৰীতাৰ্থক শব্দৰ উল্লেখ কৰা হৈছে—

| শব্দ | সমাৰ্থক শব্দ |
|---|---|
| ঘৰ | গৃহ |
| ৰাতি | নিশা |
| ইচ্ছা | কামনা |
| সূৰ্য | বেলি |

| শব্দ | বিপৰীতাৰ্থক শব্দ |
|---|---|
| আন্ধাৰ | পোহৰ |
| পৱিত্ৰ | অপৱিত্ৰ |
| ইচ্ছা | অনিচ্ছা |
| দীঘল | চুটি |

এতিয়া কবিতাটোত থকা তলত উল্লেখ কৰা প্ৰথম পাঁচটা শব্দৰ একোটাকৈ সমাৰ্থক শব্দ আৰু পিছৰ পাঁচটা শব্দৰ বিপৰীতাৰ্থক শব্দ লেখক।

(ক) জগত, সলিল, বাসনা, পখী, সম্বাদ

(খ) দূৰ, কোমল, পোহৰ, দুখ, বেদনা।

২। কোনো বস্তুৰ আকৃতি, প্ৰকৃতি, লিঙ্গ আদি নিৰ্দিষ্টকৈ বুজাবলৈ শব্দৰ পাছত যিবোৰ বৰ্ণ-সমষ্টি যোগ দিয়া হয়, সেইবোৰক নিৰ্দেশাত্মক প্ৰত্যয় বোলা হয়। কণ, খন, টো, ডাল, জন ইত্যাদি নিৰ্দেশাত্মক প্ৰত্যয়ৰ উদাহৰণ।

'সংজ্ঞা' শব্দৰ পাছত থকা 'এক' (মাহেক) আৰু টা, জন, ডাল, খন আদিৰ পাছত 'মান' প্ৰত্যয় ব্যৱহাৰ কৰি সংখ্যাৰ অনিৰ্দিষ্টতা বুজোৱা হয়। এনে প্ৰত্যয়ক অনিৰ্দেশাত্মক প্ৰত্যয় বোলে। যেনে— মাহ + এক — মাহেক, বছৰ + এক — বছৰেক, দিনচেৰেক, দিনদিয়েক ইত্যাদি।

এতিয়া দহোটা নিৰ্দেশাত্মক প্ৰত্যয় (ইয়াত উল্লেখ নকৰা) বাচি লৈ প্ৰত্যেকৰে সংযোগত একোটাকৈ বাক্য ৰচনা কৰক।

৩। যিবোৰ বৰ্ণ বা বৰ্ণসমষ্টি ক্ৰিয়া বা অন্য পদৰ পিছত বহি সিহঁতৰ অৰ্থ বিশেষভাৱে দেখুৱায়, সেইবোৰক অনুসৰ্গ বোলা হয়। অসমীয়াত হঁক, এই, ই চোন, কে ও, তো, দে, দেই আদি অনুসৰ্গ। এই অনুসৰ্গবোৰক স্বাৰ্থিক প্ৰত্যয় অথবা ক্ৰিয়াবাচক পৰসৰ্গ বুলিও কোৱা হয়।

উদাহৰণ ঃ ১। চিঠিখন লিখাচোন ২। কাইলৈ আহিব দেই।

কবিতাটোত এনে অনুসৰ্গৰ ব্যৱহাৰ হৈছে। তেনে দুটা অনুসৰ্গ বিচাৰি উলিয়াই তাৰে একোটাকৈ বাক্য ৰচনা কৰক।

৪। যি পদে কোনো বস্তু বা প্ৰাণী বা ঠাইৰ নাম বুজায় তাকে সংজ্ঞাবাচক বিশেষ্য বোলা হয়। যেনে- গছ, চৰাই, নদী ইত্যাদি। সেইদৰে, যি পদে কোনো ভাব বা গুণৰ নাম বুজায় তাক ভাববাচক বা গুণবাচক বিশেষ্য বোলা হয়। যেনে - মৰম, সৌন্দৰ্য, ল'ৰালি ইত্যাদি। কবিতাটোত ব্যৱহৃত শব্দবোৰৰ পৰা দুটা ভাববাচক বিশেষ্য পদ আৰু দুটা সংজ্ঞাবাচক বিশেষ্য পদ বাচি উলিওৱা।

৫। তলৰ শব্দবোৰৰ মাজৰপৰা অশুদ্ধ বানানৰ শব্দবোৰ বিচাৰি উলিয়াই সেইবোৰ শুদ্ধ কৰক ঃ

সন্ধী, বিসৰ্জো, জলাব, সন্ধিয়া, অন্ধকাৰ, নাশীবা, হিয়াহিনা, উৰ্ম্মীমালা, সলিলৰাশি

## ২.৫.৭.৩ পঠন অনুশীলন

১। গোটেই কবিতাটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ আপোনাৰ ভাল লাগিল বিচাৰি চাওক।

২। ভাল লগা অংশটোৰ বিশেষ কোনোবা শব্দ বা শাৰী যদি বেচি ভাল লাগিল, বিচাৰি উলিয়াওক।

৩। কবিতাটোত পোৱা নতুন শব্দবোৰ মনত ৰাখক।

৪। কবিতাটোৰ নতুন শব্দবোৰৰ বানান মনত ৰাখক।

৫। কবিতাটোত কেইটামান সমাৰ্থক শব্দ ব্যৱহাৰ কৰা হৈছে, সেইকেইটা কি কি?

৬। কবিতাটোত কেইবাটাও প্ৰশ্নসূচক শব্দৰ ব্যৱহাৰ কৰা হৈছে, সেইকেইটা বিচাৰি উলিয়াওক।

৭। কবিতাটোৰ মূলভাবটো পঢ়ক, কবিতাটোৰ বৰ্ণনাৰ অনুক্ৰমে মূলভাবটো হৈছেনে বিচাৰ কৰক।

৮। কাব্যিক সৌন্দৰ্যৰ কথাখিনি পঢ়ক আৰু সেইখিনিৰ সৈতে আৰু কিবা যোগ দিব পাৰে নেকি ভাবি চাওক।

৯। অসমীয়া কবিতাৰ ইতিহাসৰ আলোচনাটি ভালদৰে পঢ়ক আৰু বিখ্যাত অসমীয়া কবিসকলৰ নামবোৰ মনত ৰাখক।

১০। অসমীয়া কবিতাৰ চমু ইতিহাসৰ এটা পৰিচয় এই আলোচনাটোৱে মনলৈ আনি দিব পাৰিছেনে ভাবি চাওক।



### ২.৫.৭.৪ লিখন অনুশীলন

১। কবিতাৰ এটা সংজ্ঞা দিয়ক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

২। কবিতাটো মুখস্থ কৰি আপোনাৰ ভাল লগা দহোটা শাৰী লেখক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

৩। কবিতাটো পঢ়ি কবিতাটোৰ মূল ভাব নিজৰ শব্দৰে লেখক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

৪। কবিতাটোত প্ৰেমৰ অনুভৱ কেনেদৰে প্ৰকাশ পাইছে বুজাই লেখক।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

ignou THE PEOPLE'S UNIVERSITY

৫। কবিতাটোত কবিয়ে কাক উদ্দেশ্যি কথা কৈছে? তেওঁ কিয় এনেদৰে কৈছে?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৬। কবিতাটোৰ অন্তৰ্নিহিত অৰ্থ আৰু ইয়াৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ে লেখক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৭। কবিতাটোত ৰোমাণ্টিক চেতনা কিদৰে প্ৰকাশ পাইছে লেখক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৮। কবিতাটোত কবিয়ে নিজৰ হৃদয়ক কিয় সাগৰৰ সৈতে তুলনা কৰিছে লেখক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৯। কবিতাটোৰ কবিজনক কোন যুগৰ কবি বুলি ক'ব পাৰি? তেওঁৰ এখন কবিতাপুথিৰ নাম লেখক।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

## ২.৫.৮ উত্তৰ সংকেত

বোধজ্ঞান আৰু ব্যাকৰণগত অনুশীলনী যিবোৰ ইতিমধ্যে দিয়া হৈছিল সেইবোৰ এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক। আপোনালোকৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।

## বোধজ্ঞান অনুশীলনী

লত দিয়া প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধ উত্তৰটো বাচি লৈ ✓ চিন দিয়ক ঃ

সাগৰ দেখিছা

(ক)(১) আকাশৰ নীলাৰ সৈতে
(২) সাগৰৰ নীলাক সৈতে ✓
(৩) পাহাৰৰ সেউজীয়া সৈতে

(খ)(১) কেতেকী✓
(২) কুলী
(৩) ফেঁচা

(গ)(১) সন্ধিয়া
(২) প্ৰভা
(৩) তিমিৰ ✓

(ঘ)(১) ষষ্ঠী ✓
(২) সপ্তমী
(৩) পঞ্চমী

(ঙ)(১) জীৱ-জন্তুৰ মাতত
(২) পখীৰ ডিঙিত ✓
(৩) প্ৰকৃতিৰ মাজত

(ঞ)(১) এগৰাকী নাৰী
(২) এজন বিজয়ী ব্যক্তি
(৩) এটা তিথি ✓

২। (ক) ৰবাৰ্ট ব্ৰাউনিং
(খ) এই বিশেষ কাব্যশৈলীটোক নাটকীয় একোক্তি বা নাটকীয় মনোকথন বুলি জনা যায়।
(গ) দিগন্ত মানে দিগ্‌বলয় বা আকাশ। যি ৰেখাত আকাশে মাটি চুই থকা যেন লাগে সেয়াই দিগন্ত ৰেখা।
(ঘ) কবিতাটোক প্ৰশ্নবোধক চিনৰ ব্যৱহাৰেৰে কবিয়ে নিজৰ মনত উদয় হোৱা প্ৰশ্নসমূহ তেওঁৰ প্ৰেয়সীৰ প্ৰতি আগবঢ়াই দি নিজৰ মনৰ অৱস্থাটো প্ৰকাশ কৰাটোকে সূচাইছে।
(ঙ) 'দেখা নাই', 'শুনা নাই' — আদি বাক্যাংশ কবিয়ে নিজৰ প্ৰেয়সীক উদ্দেশ্য কৰি কৈছে।
(চ) হিয়াহীনা বুলি কবিয়ে নিজৰ প্ৰেয়সীক কৈছে।

## বৈয়াকৰণিক অনুশীলনী

১। (ক) জগত — পৃথিৱী
সলিল — পানী
বাসনা — ইচ্ছা/অনুৰাগ
পখী — চৰাই
সংবাদ — বাতৰি

(খ) দূৰ — ওচৰ
কোমল — কঠোৰ/ টান
পোহৰ — আন্ধাৰ
দুখ — সুখ
বেদনা — আনন্দ

২। গছ ঃ চাকিগছ জ্বলাই দিয়াচোন।
জোপা ঃ গছজোপা ওখ।
খিলা ঃ মোক পাণখিলা দিয়া।
গৰাকী ঃ মানুহগৰাকীয়ে বৰ পৰিপাটিকৈ কাপোৰ পিন্ধে।
জনী ঃ ছোৱালীজনী লেখা-পঢ়াত ভাল।
পাহ ঃ ফুলপাহ ইমান ধুনীয়া।
মুঠি ঃ ভিক্ষাৰীজনে মাত্ৰ এমুঠি চাউল বিচাৰিছিল।
চটা ঃ বাঁহচটা তাত পেলাই দিয়া।
টুকুৰা ঃ মাছটুকুৰা ভালনে?
টাৰি ঃ চুলিটাৰি বান্ধি লোৱা।

৩। তো— তুমিতো নাজানা কিহৰ দুখত মই গান গাবলৈ এৰিলোঁ।
ই — তেখেত আহিবই।

৪। (ক) দুটা সংজ্ঞাবাচক বিশেষ্য পদ — সাগৰ, ৰামধেনু
(খ) দুটা ভাববাচক বিশেষ্য পদ — গৌৰৱ, বাসনা

৫। যষ্ঠী, জ্বলাব, নাশিবা, হিয়াহীনা, উৰ্ম্মিমালা, সলিলৰাশি

## ২.৫.৯ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে অসমীয়া কবিতা সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব—

১। *সঞ্চয়ন* (সম্পাদক) ঃ মহেশ্বৰ নেওগ।
২। *কবিতামঞ্জৰী* (সম্পাদিকা) ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ।
৩। *অসমীয়া কবিতা* ঃ কৰবী ডেকা হাজৰিকা।
৪। *আধুনিক অসমীয়া কবিতা* ঃ চন্দ্ৰ কটকী।
৫। *সাহিত্য উপক্ৰমণিকা* ঃ ড° মহেন্দ্ৰ বৰা